# সাহিত্য সৌৰভ

উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ পাঠ্যপুথি

CHANDRA PRAKASH



অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

# ASSAMESE (MIL)

## SYLLABUS FOR HIGHER SECONDARY FINAL YEAR COURSE

**One Paper** **Time : Three Hours** **Marks 100**

**Unitwise Distribution of Marks & Periods :**

| Unit | Topics | Marks | Periods |
|---|---|---|---|
| Unit-I | Prose | 35 | 60 |
| Unit-II | Poetry | 25 | 50 |
| Unit-III | (A) Adolescence Education | 10 | 30 |
| | (B) Value Education | | |
| Unit-IV | Grammar | 20 | 35 |
| Unit-V | Essay writing | 10 | 25 |
| | **Total** | **100** | **200** |

পাঠ্যপুথি ঃ **সাহিত্য সৌৰভ,**

*অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা প্ৰকাশিত।*

**UNITWISE DISTRIBUTION OF COURSE CONTENTS :**

**Unit-I ঃ (গোট-১) নিৰ্বাচিত গদ্য ঃ** **(Marks 35)** **(Periods 60)**

(ক) মোৰ মাতৃমুখ দৰ্শন ঃ লক্ষ্মীনাথ বেজবৰুৱা

(খ) মগনিয়াৰ (কথা কবিতা) ঃ যতীন্দ্ৰ নাথ দুৱৰা



(গ) আনন্দৰাম বৰুৱা ঃ উপেন্দ্ৰ চন্দ্ৰ লেখাৰু

(ঘ) হস্তিবিদ্যাৰ্ণৱ পুথি ঃ ড° সূৰ্যকুমাৰ ভূঞা

(ঙ) ভাৰতীয় আদৰ্শত বৈৰাগ্য ঃ তীৰ্থনাথ শৰ্মা

(চ) চিঠি (গল্প) ঃ শীলভদ্ৰ

(ছ) অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা ঃ উৎপল দত্ত

(জ) বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ ঃ ড° দীনেশ চন্দ্ৰ গোস্বামী

**Unit-II ঃ (গোট-২) নিৰ্বাচিত কবিতা ঃ** **(Marks 25)** **(Periods 50)**

(ক) বৰগীত (উঠৰে উঠ বাপু) ঃ মাধৱদেৱ

(খ) বিশ্ব খনিকৰ ঃ মফিজুদ্দিন আহমদ হাজৰিকা

(গ) মিলন ঃ নলিনীবালা দেৱী

(ঘ) জনতাৰ আহ্বান ঃ জ্যোতিপ্ৰসাদ আগৰৱালা

(ঙ) কাঠমিস্ত্ৰীৰ ঘৰ ঃ ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত

(চ) আঘোণৰ কুঁৱলী ঃ কেশৱ মহন্ত

(ছ) উভতি নহাৰ কবিতা ঃ নৱকান্ত বৰুৱা

(জ) কৰুণতম ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈ

**Unit-III ঃ (গোট-৩) ঃ** **(Marks 10)** **(Periods 30)**

(ক) মূল্যবোধ শিক্ষা ঃ ড° দুলুমণি গোস্বামী

(খ) কৈশোৰ কাল আৰু ইয়াৰ উপযোগী শিক্ষা ঃ ড° স্বৰ্ণলতা দাস

**Unit-IV ঃ (গোট-৪) Grammar :** **(Marks 20)** **(Periods 35)**

**অসমীয়া ভাষাৰ ব্যাকৰণ ঃ**

**বিভক্তি ঃ** ক্ৰিয়া বিভক্তি আৰু নাম বিভক্তি, **প্ৰত্যয় ঃ** কৃৎ প্ৰত্যয়, তদ্ধিৎ প্ৰত্যয়, জতুৱা ঠাঁচ।

**Unit-V ঃ (গোট-৫) ৰচনা ঃ** **(Marks 10)** **(Periods 25)**

**ৰচনাৰ বাবে বিষয় ঃ**

(ক) সাহিত্য-সংস্কৃতি সম্পৰ্কীয়,

(খ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সম্পৰ্কীয়,

(গ) সামাজিক আৰু প্ৰাকৃতিক পৰিবেশ সম্পৰ্কীয়,

(ঘ) কৃষি আৰু অৰ্থনীতি সম্পৰ্কীয়,

(ঙ) ক্ৰীড়া সম্পৰ্কীয়,

(চ) ভ্ৰমণ সম্পৰ্কীয়।

***

**ASSAMESE (MIL)**

## SYLLABUS FOR HIGHER SECONDARY FINAL YEAR COURSE

**One Paper** **Time : Three Hours** **Marks 100**

**Unitwise Distribution of Marks & Periods :**

| Unit | Topics | Marks | Periods |
|---|---|---|---|
| Unit-I | Prose | 35 | 60 |
| Unit-II | Poetry | 25 | 50 |
| Unit-III | (A) Adolescence Education | 10 | 30 |
| | (B) Value Education | | |
| Unit-IV | Grammar | 20 | 35 |
| Unit-V | Essay writing | 10 | 25 |
| | **Total** | **100** | **200** |

পাঠ্যপুথি ঃ **সাহিত্য সৌৰভ,**

*অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা প্ৰকাশিত।*

**UNITWISE DISTRIBUTION OF COURSE CONTENTS :**

**Unit-I ঃ (গোট-১) নিৰ্বাচিত গদ্য ঃ** **(Marks 35)** **(Periods 60)**

(ক) মোৰ মাতৃমুখ দৰ্শন ঃ লক্ষ্মীনাথ বেজবৰুৱা

(খ) মগনিয়াৰ (কথা কবিতা) ঃ যতীন্দ্ৰ নাথ দুৱৰা



(গ) আনন্দৰাম বৰুৱা ঃ উপেন্দ্ৰ চন্দ্ৰ লেখাৰু

~~(ঘ) হস্তিবিদ্যাৰ্ণৱ পুথি ঃ ড° সূৰ্য্যকুমাৰ ভূঞা~~

(ঙ) ভাৰতীয় আদৰ্শত বৈৰাগ্য ঃ তীৰ্থনাথ শৰ্মা

(চ) চিঠি (গল্প) ঃ শীলভদ্ৰ

~~(ছ) অসমীয়া চলচ্চিত্ৰৰ গতিধাৰা ঃ উৎপল দত্ত~~

(জ) বৈজ্ঞানিক মানসিকতা কিদৰে গঢ়িব পাৰোঁ ঃ ড° দীনেশ চন্দ্ৰ গোস্বামী

**Unit-II ঃ (গোট-২) নিৰ্বাচিত কবিতা ঃ** **(Marks 25)** **(Periods 50)**

(ক) বৰগীত (উঠৰে উঠ বাপু) ঃ মাধৱদেৱ

(খ) বিশ্ব খনিকৰ ঃ মফিজুদ্দিন আহমদ হাজৰিকা

~~(গ) মিলন ঃ নলিনীবালা দেৱী~~

(ঘ) জনতাৰ আহ্বান ঃ জ্যোতিপ্ৰসাদ আগৰৱালা

~~(ঙ) কাঠমিস্ত্ৰীৰ ঘৰ ঃ ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত~~

(চ) আঘোণৰ কুঁৱলী ঃ কেশৱ মহন্ত

(ছ) উভতি নহাৰ কবিতা ঃ নৱকান্ত বৰুৱা

~~(জ) কৰুণতম ঃ ড° নিৰ্মলপ্ৰভা বৰদলৈ~~

**Unit-III ঃ (গোট-৩) ঃ** **(Marks 10)** **(Periods 30)**

~~(ক) মূল্যবোধ শিক্ষা ঃ ড° দুলুমণি গোস্বামী~~

(খ) কৈশোৰ কাল আৰু ইয়াৰ উপযোগী শিক্ষা ঃ ড° স্বৰ্ণলতা দাস

**Unit-IV ঃ (গোট-৪) Grammar :** **(Marks 20)** **(Periods 35)**

**অসমীয়া ভাষাৰ ব্যাকৰণ ঃ**

~~**বিভক্তি ঃ** ক্ৰিয়া বিভক্তি আৰু নাম বিভক্তি~~, **প্ৰত্যয় ঃ** কৃৎ প্ৰত্যয়, তদ্ধিৎ প্ৰত্যয়, জতুৱা ঠাঁচ।

**Unit-V ঃ (গোট-৫) ৰচনা ঃ** **(Marks 10)** **(Periods 25)**

**ৰচনাৰ বাবে বিষয় ঃ**

(ক) সাহিত্য-সংস্কৃতি সম্পৰ্কীয়,

(খ) বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা সম্পৰ্কীয়,

(গ) সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশ সম্পৰ্কীয়,

(ঘ) কৃষি আৰু অৰ্থনীতি সম্পৰ্কীয়,

(ঙ) ক্ৰীড়া সম্পৰ্কীয়,

(চ) ভ্ৰমণ সম্পৰ্কীয়।

***

# মগনিয়াৰ

যতীন্দ্ৰ নাথ দুৱৰা

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

কথা-কবিতা ঊনৈশ শতিকাৰ এক উল্লেখযোগ্য সৃষ্টি। ৰুছ সাহিত্যিক আইভান টুৰ্গেনিভক ইয়াৰ জনক বুলি কোৱা হয়। অসমীয়া ভাষাত প্ৰথম কথা-কবিতা ৰচনা কৰে যতীন্দ্ৰ নাথ দুৱৰাই। তেওঁৰ কথা-কবিতাৰ পুথিখনৰ নাম হৈছে 'কথা-কবিতা'। কথা-কবিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱাটোৱে হৈছে এই পাঠ নিৰ্বাচন কৰাৰ ঘাই উদ্দেশ্য। পাঠটো অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে কবিতা আৰু কথা-কবিতাৰ মাজৰ পাৰ্থক্যখিনি বুজিব পাৰিব।

**লেখক পৰিচিতি ঃ**

১৮৯২ চনত শিৱসাগৰৰ আমোলাপট্টিত যতীন্দ্ৰ নাথ দুৱৰাৰ জন্ম হয়। ১৯০৯ চনত তেওঁ শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। উচ্চ শিক্ষাৰ্থে তেওঁ কটন কলেজত ভৰ্তি হৈছিল যদিও পিছত কলকাতালৈ গৈ স্কটিছ চাৰ্চ কলেজৰ পৰা বি.এ. পাছ কৰে। তাৰ পিছত আইন আৰু এম.এ. শিক্ষা আধাতে সামৰি শিৱসাগৰলৈ উভতি আহে।

ডিব্ৰুগড়ৰ জৰ্জ ইন্‌ষ্টিটিউছনত দুৱৰাই পোনপ্ৰথম শিক্ষকতা কৰিবলৈ লয়। তাৰ পিছত স্কটিছ চাৰ্চ কলেজিয়েট স্কুলত বহু বছৰ শিক্ষকতা কৰে। কিছুদিন কলকাতা বিশ্ববিদ্যালয়ৰ এম.এ. শ্ৰেণীতো অংশকালীন অধ্যাপক হিচাপে

কাম কৰিছিল। ১৯৪৫ চনত ডিব্ৰুগড়ত হনুমানবক্স সূৰযমল কানৈ কলেজ স্থাপিত হোৱাত দুৰ্‌ৰা অসমীয়া বিভাগৰ মুখ্য অধ্যাপক পদত নিযুক্ত হয়। এই পদৰ পৰাই তেওঁ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

ছাত্ৰাৱস্থাৰ পৰাই কবিতা ৰচনা কৰা দুৰ্‌ৰাৰ কবিতাৰ পুথিকেইখন হ'ল— 'ওমৰ তীৰ্থ', 'আপোন সুৰ', 'বনফুল', 'মিলনৰ সুৰ' আৰু 'মৰমৰ সুৰ'। 'কথা-কবিতা' একমাত্ৰ কথা-কবিতাৰ পুথি। ফাৰ্চী ছুফী কবি ওমৰ খায়ামৰ ৰুবায়তৰ প্ৰথম অসমীয়ালৈ ভাৱানুবাদ কৰি দুৰ্‌ৰাই 'ওমৰ তীৰ্থ' পুথিখনি ৰচনা কৰে।

'বনফুল' কবিতাপুথিৰ বাবে দুৰ্‌ৰাই সাহিত্য অকাদেমি বঁটা লাভ কৰে। এই বঁটা লাভ কৰা তেৱেঁই প্ৰথম অসমীয়া। ১৯৫৫ চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ চতুৰ্বিংশ অধিৱেশনত দুৰ্‌ৰাই সভাপতিত্ব কৰিছিল।

১৯৬৪ চনত শিৱসাগৰত দুৰ্‌ৰাৰ মৃত্যু হয়।